**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ আজি বিয়লি এদিনীয়া ভ্ৰমণসূচীৰে ঝাৰখণ্ডৰ ৰাজধানী ৰাচীত উপস্থিত হ'ব।

২। সংসদৰ বাজেট অধিৱেশনৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে কাইলৈ এখন সৰ্বদলীয় বৈঠকৰ আয়োজন কৰিছে।

৩। হাৰিয়ানাত বিধি বলৱৎকাৰী সঞ্চালকালয়, ই ডিয়ে ছোনিপটৰ পৰা কংগ্ৰেছ বিধায়ক সুৰেন্দৰ পানৱাৰক গ্ৰেপ্তাৰ কৰিছে।

৪। হাইটিত যাত্ৰিবাহী এখন নাৱত জুই লাগি কমেও ৪০ জন অনুপ্ৰৱেশকাৰী নিহত হোৱাৰ লগতে আন কেইবাজনো আহত হয়।

***আৰু***

৫। মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত আজি থাইলেণ্ড মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ আজি বিয়লি এদিনীয়া ভ্ৰমণসূচীৰে ঝাৰখণ্ডৰ ৰাজধানী ৰাচীত উপস্থিত হ'ব। শ্ৰী শ্বাহে ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক কমিটিৰ বৈঠকত অংশগ্ৰহণ কৰিব। তেওঁ লগতে দলৰ ৰাজ্যিক স্থায়ী গোটৰ বৈঠকত উপস্থিত থাকিব আৰু বিজেপি কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব। ঝাৰখণ্ড বিজেপিৰ মুৰব্বী বাবুলাল মাৰাণ্ডীয়ে জনোৱা অনুসৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লোকসভা নিৰ্বাচনত ৰাজ্যত বিজেপি তথা এন ডি এৰ ফলাফল সন্দৰ্ভতো পৰ্যালোচনা কৰিব। ঝাৰখণ্ডত চলিত বছৰৰ শেষৰফালে বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০

সংসদৰ বাজেট অধিৱেশনৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে কাইলৈ এখন সৰ্বদলীয় বৈঠকৰ আয়োজন কৰিছে। এই বৈঠকত চৰকাৰে সংসদৰ দুয়োখন সদনৰ কামকাজ সুচাৰুৰূপে চলাই নিয়াৰ বাবে সকলো দলৰ সহায়-সহযোগিতা বিচাৰিব। বাজেট অধিৱেশন সোমবাৰে আৰম্ভ হ'ব আৰু ১২ আগষ্টলৈকে চলিব। কেন্দ্ৰীয় বাজেট ২৩ জুলাইত দাখিল কৰা হ'ব। এইখন হ'ব নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ প্ৰথমখন বাজেট। যোৱা মাহত সংসদৰ দুয়োখন সদনৰ যৌথ অধিৱেশনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উল্লেখ কৰিছিল যে, এইবছৰৰ সাধাৰণ বাজেটত চৰকাৰৰ বিভিন্ন দূৰদৰ্শী আঁচনি আৰু ভৱিষ্যৎ চিন্তাৰ প্ৰতিফলন দেখা পোৱা যাব।

০০০০০০০০০

হাৰিয়ানাত বিধি বলৱৎকাৰী সঞ্চালকালয়, ই ডিয়ে ছোনিপটৰ পৰা কংগ্ৰেছ বিধায়ক সুৰেন্দৰ পানৱাৰক গ্ৰেপ্তাৰ কৰিছে। ৰাজ্যখনৰ যমুনা নগৰ অঞ্চলৰ অবৈধ খনন গোচৰত জড়িত থকাৰ অভিযোগতে বিধায়কগৰাকীক গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰৰ পাছতে ইডিয়ে পানৱাৰক আম্বালাৰ ইডি কাৰ্যালয়লৈ আনে আৰু আদালতত হাজিৰ কৰায়।

ইয়াৰ পূৰ্বে এই বছৰৰ ৪ জানুৱাৰীত ই ডিৰ এটা দলে ছোনিপটত সুৰেন্দ্ৰৰ পানৱাৰ আৰু তেওঁৰ একাংশ ঘনিষ্ঠৰ বাসগৃহত তালাচী চলাইছিল। এই অভিযানত বিধায়কগৰাকীৰ বাসগৃহ আৰু কাৰ্যালয়ৰ পৰা ইডিয়ে কেতবোৰ গুৰুত্বপূৰ্ণ নথি-পত্ৰ জব্দ কৰিছিল। ইডিৰ দলে ৰাজ্যখনৰ যমুনানগৰ, ছোনিপট আৰু কৰ্নাল অঞ্চলতো অবৈধ খনন সন্দৰ্ভত অভিযান চলাইছিল। ইডিৰ মতে এই গোচৰত ৪০০ৰ পৰা ৫০০ কোটি টকাৰ অবৈধ সৰবৰাহ হৈছিল।

০০০০০০০০০

বৈদেশিক সচিব বিক্ৰম মিস্ৰী আৰু তেওঁৰ ভূটানৰ সমকক্ষ ওম পেমা ছ'ডেনে আজি ভূটানত অনুষ্ঠিত তৃতীয় ভাৰত-ভূটান উন্নয়ন সহযোগিতা আলোচনাত সভাপতিত্ব কৰে। বৈঠকত দুয়োগৰাকী বৈদেশিক সচিবে ত্ৰয়োদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাৰ বিভিন্ন উন্নয়নমূলক অংশদাৰিত্ব তথা সহযোগিতাৰ পৰ্যালোচনা কৰে। বৈদেশিক সচিব মিস্ৰীয়ে কালি দুদিনীয়া ভ্ৰমণসূচীৰে ভূটানত হৈছে। তেওঁ ভূটানৰ সৈতে ভাৰতৰ ঘনিষ্ঠ মৈত্ৰীপূৰ্ণ সম্পৰ্ক আৰু ভূটান চৰকাৰ তথা দেশখনৰ জনসাধাৰণৰ অগ্ৰাধিকাৰ অনুসৰি দ্বিপাক্ষীক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ প্ৰতি ভাৰতৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰিছে।

০০০০০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত কাইলৈ বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৱেশন আৰম্ভ হব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অধিৱেশন উদ্বোধন কৰিব। অধিৱেশনৰ ৩১ জুলাইত সামৰণি পৰিব। ভাৰতে প্ৰথমবাৰৰ বাবে এই অধিৱেশনৰ আয়োজন কৰিছে। অনুষ্ঠানত ইউনেস্ক'ৰ সঞ্চালক প্ৰধান মেডাম অড্ৰে আজৌলে আৰু ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য সচিবালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে বিভিন্ন দেশৰ সাংস্কৃতিক মন্ত্ৰী, ৰাষ্ট্ৰদূতকে ধৰি অন্যান্য ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। অধিৱেশনৰ পূৰ্বে এখন সংবাদমেলত কেন্দ্ৰীয় সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱটে কয় যে নৰেন্দ্ৰ মোডী চৰকাৰৰ তৃতীয়টো কাৰ্যকালত এইয়া হৈছে ভাৰতত হবলগীয়া প্ৰথমটো বৃহত কাৰ্যসূচী। তেওঁ লগতে কয় যে, এই অধিৱেশনত ভাৰতৰ বৈচিত্ৰ আৰু অনন্য সাংস্কৃতিক তথা প্ৰাকৃতিক ঐতিহ্যক বিশ্বৰ সন্মুখত প্ৰদৰ্শন কৰা হ'ব। ভাৰত ২০২১ চনৰ ২৩ সংখ্যক সাধাৰণ পৰিষদত ২০২১ৰ পৰা ২০২৫ চনলৈকে চাৰি বছৰৰ বাবে ২১ জনীয়া বিশ্ব ঐতিহ্য সমিতিলৈ নিৰ্বাচিত হৈছিল। ভাৰতে ইতিমধ্যে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত ৪২টা ক্ষেত্ৰ সন্নিবিষ্ট কৰিছে।

০০০০০০০০০

হাইটিত যাত্ৰিবাহী এখন নাৱত জুই লাগি কমেও ৪০ জন অনুপ্ৰৱেশকাৰী নিহত হোৱাৰ লগতে আন কেইবাজনো আহত হয়। প্ৰায় ৮০ জনতকৈও অধিক লোক কঢ়িওৱা নাওখনে যোৱা বুধবাৰে হাইটিৰ উত্তৰ উপকূলৰ পৰা ১৫০ মাইল দূৰৰ টাৰ্কছ্ আৰু কাইকোছ্ দ্বীপপুঞ্জলৈ যাত্ৰা আৰম্ভ কৰিছিল। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছৰ উপ-মুখপাত্ৰ ফাৰহান হকে কয় যে, হাইটিৰ উপকূলৰক্ষী বাহিনীয়ে উদ্ধাৰ কৰা ৪১ গৰাকী অনুপ্ৰৱেশকাৰীক বৰ্তমান আন্তঃৰাষ্ট্ৰীয় অনুপ্ৰৱেশকাৰী সংস্থাই ৰাষ্ট্ৰীয় কৰ্তৃপক্ষৰ সহযোগত চিকিৎসা সেৱা, খাদ্য, পানী আৰু মানসিক সহযোগিতা আগবঢ়াই আছে।

ooooooooo

তামিলনাডুৰ থুথুকুড়িত এম'নিয়া গেছ্ নিৰ্গত হোৱা ঘটনাত ২১ জন শ্ৰমিক শ্বাস-প্ৰশ্বাসৰ অসুবিধাত ভুগিছে। তেওঁলোকক কাষৰীয়া চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। এটা সূত্ৰই জনোৱা অনুসৰি থুথুকুড়ি জিলাৰ পুডুৰ পাণ্ডিয়াপুৰমত থকা এটা সাগৰীয় খাদ্য প্ৰস্তুতকৰণ কাৰখানাত ছৰ্টচাৰ্কিটৰ ফলতে এম'নিয়া গেছ্ নিৰ্গত হয়। ঘটনাটোৰ তদন্তৰ নিৰ্দেশ দিয়া হৈছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৮ জুলাইত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাতৰ পৰৱৰ্তী খণ্ডৰ বাবে জনসাধাৰণৰ পৰা ভালেসংখ্যক পৰামৰ্শ লাভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে তেওঁ মন কী বাত অনুষ্ঠানৰ আসন্ন খণ্ডৰ বাবে যথেষ্ট পৰামৰ্শ লাভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে কৈছে যে সমাজৰ সংস্কাৰৰ লক্ষ্যৰে ভালেসংখ্যক যুৱক-যুৱতীয়ে সমূহীয়া প্ৰচেষ্টাত আলোকপাত কৰা দেখা পাই তেওঁ সুখী হৈছে। শ্ৰীমোদীয়ে জনসাধাৰণক মাই গভ্, নমো এপযোগে দিহা পৰামৰ্শ আগবঢ়াবলৈ আহ্বান জনাইছে। তেওঁ লগতে ১৮০০১১৭৮০০ নম্বৰত ফোন কৰি বাৰ্তা বাণীবদ্ধ কৰিবলৈও জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

ooooooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ হিউছটনত চলি থকা বিশ্ব জুনিয়ৰ স্কোৱাচ প্ৰতিযোগিতাত দলীয় শাখাত কালি ভাৰতীয় ল'ৰাৰ দলটোৱে ব্ৰাজিলক ৩-০ত পৰাস্ত কৰি **গ্ৰুপ এফ**ৰ শীৰ্ষ তিনিটা দলত প্ৰৱেশ কৰিছে। প্ৰি-কোৱাৰ্টাৰত ভাৰতীয় দলটো কানাডাৰ মুখামুখি হ'ব।

ইপিনে ভাৰতীয় ছোৱালীৰ দলটোৱে ব্ৰাজিল আৰু অষ্ট্ৰেলিয়াক পৰাজিত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। ভাৰতীয় দলটোৱে গ্ৰুপ ডিৰ শেষৰখন লীগ মেচত হংকঙৰ বিৰুদ্ধে খেলিব।

ooooooooo

মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত আজি থাইলেণ্ড মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন শ্ৰীলংকাৰ ৰংগিৰি ডাম্বুলা আন্তৰ্জাতিক ক্ৰিকেট ষ্টেডিয়ামত আজি দিনৰ ২ বজাত আৰম্ভ হ'ব।

আনহাতে আজি সন্ধিযা সাত বজাত একেখন ষ্টেডিয়ামতে হ'বলগীয়া আন এখন খেলত শ্ৰীলংকা আৰু বাংলাদেশ মুখামুখি হ'ব। যোৱাবাৰৰ বিজয়ী ভাৰতে কালি সন্ধিয়া ডাম্বুলাত অনুষ্ঠিত এখন খেলত পাকিস্তানক সাত উইকেটত পৰাস্ত কৰিছিল। পাকিস্তানে নিৰ্ধাৰন কৰি দিয়া ১০৯ ৰানৰ লক্ষ্য ভাৰতীয় মহিলা দলটোৱে সাতটা উইকেট বাকী থকা অৱস্থাতে অতিক্ৰম কৰিবলৈ সমৰ্থ হয়।

ooooooooo

পেৰিছত ২৬ জুলাইত আৰম্ভ হ'বলগীয়া অলিম্পিক গেমছত অংশগ্ৰহণ কৰিবলগীয়া ১১৭ গৰাকী ভাৰতীয় এথলিটৰ মাজত সশস্ত্ৰ বাহিনীৰ ২৪ গৰাকী জোৱানো আছে। এই ২৪ গৰাকী এথলিটৰ ২২ জনেই পুৰুষ আৰু দুগৰাকী মহিলা। তেওঁলোকৰ মাজত তাৰকা জেভেলিন খেলুৱৈ ছুবেদাৰ নীৰজ চোপ্ৰাও আছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে, এইবাৰৰ অলিম্পিকত প্ৰথমবাৰৰ বাবে সামৰিক বাহিনীৰ দুগৰাকী মহিলা জোৱানে অংশগ্ৰহণ কৰিব। ছুবেদাৰ নীৰজ চোপ্ৰাই ২০২০ চনৰ টকিঅ' অলিম্পিকত সোণৰ পদক লাভ কৰিছিল। এইবাৰো তেওঁ এই খিতাপ অক্ষুণ্ণ ৰখাৰ চেষ্টা কৰিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ২০২২ চনৰ কমনৱেল্‌থ গেমছত ব্ৰঞ্জৰ পদকপ্ৰাপ্ত হাবিলদাৰ জেইছমিন লাম্বৰিয়া আৰু এছিয় মল্লযুদ্ধ প্ৰতিযোগিতাত যোৱা বছৰ ব্ৰঞ্জৰ পদকপ্ৰাপ্ত ৰীতিকা হুদাই প্ৰথমবাৰৰ বাবে অলিম্পিকত অংশগ্ৰহণ কৰিব।

০০০০০০০০০

**সমাপ্ত**